জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৩৮/২০২০

ট্যুৰিজিম কনক্লেভ-২০২০ ত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

ক'ভিড-১৯ সৃষ্ট বৰ্তমানৰ জটিল সময়ত পৰ্যটন খণ্ডক পুনৰুজ্জীৱিতকৰণৰ বাবে 'পৰ্যটন সঞ্জীৱনী' নামৰ এখন আঁচনি ঘোষণা কৰিলে মুখ্যমন্ত্ৰীয়ে

দিছপুৰ, ২৫ ছেপ্টেম্বৰ ঃ ৰাজ্যৰ পৰ্যটন খণ্ডৰ পুনৰুজ্জীৱিতকৰণৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি 'পৰ্যটন সঞ্জীৱনী' নামৰ এখন আঁচনিৰ কথা ঘোষণা কৰে। এই আচঁনিৰ জৰিয়তে পৰ্যটন খণ্ডৰ সৈতে জড়িত থকা অংশীদাৰীসকলক বিভিন্ন বেংকৰ জৰিয়তে ১ লাখৰ পৰা ২০ লাখ টকা ঋণ প্ৰদান কৰা হ'ব। এই ঋণৰ বাবদ এবছৰ মৰেটোৰিয়াম থাকিব। আনহাতে প্ৰথম বছৰৰ বাবে ঋণৰ সুদ চৰকাৰে প্ৰদান কৰিব। পাঁচ বছৰৰ বাবে এই ঋণ প্ৰদান কৰা হ'ব। আনহাতে 'পৰ্যটন সাৰথি' নামৰ আন এক কাৰ্যসূচীও মুখ্যমন্ত্ৰীয়ে আজি শুভাৰম্ভ কৰে। ইন্টাৰনেটৰ মাধ্যমৰে পৰ্যটন বিভাগৰ সৈতে যোগাযোগ কৰিব পৰা 'ইলেকট্ৰনিক গেজেট'ৰ দ্বাৰা ইয়াৰ অংশীদাৰীসকল উপকৃত কৰিব পৰাকৈ এই কাৰ্যসূচী প্ৰস্তুত কৰা হৈছে। অসম চৰকাৰৰ পৰ্যটন বিভাগৰ উদ্যোগত আৰু অসম পৰ্যটন উন্নয়ন নিগমৰ সহযোগত আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত 'টুৰিজিম কনক্লেভ-২০২০'ত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে 'পৰ্যটন সঞ্জীৱনী' নামৰ আঁচনিখনৰ কথা ঘোষণা কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে বিশ্বৰ বিভিন্ন দেশৰ অৰ্থনৈতিক বুনিয়াদ নিৰ্মাণত পৰ্যটন উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আমাৰ ৰাজ্যখনতো পৰ্যটনক এক উদ্যোগ হিচাপে গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনীয়তা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিকাশৰ বাবে 'এক্ট ইষ্ট পলিচি' ঘোষণা কৰাৰ পিছত অন্যান্য খণ্ডৰ লগতে পৰ্যটন খণ্ডক বিকশাই তোলাৰ বাবে সুযোগ আৰু সম্ভাৱনাৰ দুৱাৰ মুকলি হৈছে। তেনে দৃষ্টিভংগীৰে এই খণ্ডৰ লগত জড়িত থকা সকলোৱে নিজস্ব চিন্তা ধাৰাৰে গতিশীল পদক্ষেপ গ্ৰহণৰ বাবে আগবাঢ়ি আহিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ক'ভিড-১৯ ৰ বাবে সমগ্ৰ বিশ্ববাসীয়ে ভয়াৱহ পৰিস্থিতিৰ মাজেৰে অতিক্ৰম কৰিবলগীয়া হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ বিৰুদ্ধে বলিষ্ঠ প্ৰত্যুত্তৰ দিয়াৰ বাবে জ্ঞান গভীৰতা, বুদ্ধিমত্তা আৰু অভিজ্ঞতাৰে কৰ্ম পথাৰত মনোনিৱেশ কৰিব লাগিব। সংকটপূৰ্ণ পৰিস্থিতিৰ মাজেৰে নিজকে বিকশাই তোলাৰ বাবে পৰ্যটন খণ্ডৰ লগত জড়িত সকলোৱে কৰ্ম উদ্যমিতাৰে আগুৱাই আহিব লাগিব। এই খণ্ডৰ লগত জড়িত থকা বহু সংখ্যক লোক কৰ্মহীন হৈ পৰিছে। এই অনিশ্চয়তা দূৰ কৰাৰ দায়িত্ব আমি

সকলোৱে ল'ব লাগিব। ইয়াৰ বাবে আমাৰ ব্যক্তিত্বত থকা শক্তিক প্ৰয়োগ কৰিব লাগিব। আজিৰ এই সংকটৰ সময়তো পৰ্যটন উদ্যোগটোক আগুৱাই নিয়াৰ বাবে সকলোৱে মিলিত প্ৰচেষ্টা চলাব লাগিব। ইয়াৰ বাবে ৰোড মেপ প্ৰস্তুত কৰাৰ দায়িত্ব চৰকাৰৰ লগতে পৰ্যটন খণ্ডৰ লগত জড়িত অংশীদাৰীসকলে মিলিতভাৱে ল'ব লাগিব। অন্যান্য ৰাজ্যসমূহে সংকটৰ সময়ছোৱাত কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে সেই কথা তুলনামূলকভাৱে অধ্যয়নৰ প্ৰয়োজনীয়তাও আহি পৰিছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে সমগ্ৰ বছৰে পৰ্যটন খণ্ডটোক সজীৱ কৰি ৰখা, বাঁহ ভিত্তিক পৰ্যটন বিকশাই তোলা, গৱেষকসকলক আকৰ্ষিত কৰিব পৰাকৈ পৰ্যটনক বিকশাই তোলা, গুৰুজনাৰ অমৰ সৃষ্টিৰাজিৰ মাজত থকা সম্ভাৱনীয়তাৰ প্ৰতি আকৰ্ষিত কৰাৰ লেখীয়া দিশসমূহো পৰ্যটনখণ্ডৰ মাজত সামৰি ল'ব লাগিব বুলিও কয়।

পৰ্যটন বিভাগৰ সচিব ৰাজভী হুছেইনে আদৰণি ভাষণ দিয়া আজিৰ অনুষ্ঠানত পৰ্যটন মন্ত্ৰী চন্দন ব্ৰহ্ম, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্তমল্ল বৰুৱা, অসম পৰ্যটন উন্নয়ন নিগমৰ উপাধ্যক্ষ নৱদ্বীপ কলিতা আৰু পৰ্যটন বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুৱে ভাষণ প্ৰদান কৰে। আনহাতে, এই খণ্ডৰ লগত জড়িত থকা কেইবাটাও বেচৰকাৰী সংস্থাৰ প্ৰতিনিধিয়ে বৰ্তমান সময়ত তেওঁলোকে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ আলোকপাত কৰি বক্তব্য প্ৰদান কৰে।

মুখ্যমন্ত্ৰীয়ে এই কনক্লেভৰ লগত সংগতি ৰাখি 'অউছম আছাম' শীৰ্ষক বিভিন্ন প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীসকলকো পুৰস্কাৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে দৃশ্য-শ্ৰাব্য আৰু বিৱৰণী এখনো উন্মোচন কৰে।

অনুষ্ঠানত বন, প্ৰত্নতত্ত্ব ইত্যাদি বিভিন্ন চৰকাৰী বিভাগৰ লগতে পৰ্যটনৰ লগত জড়িত বিভিন্ন অংশীদাৰীসকলে অংশ গ্ৰহণ কৰে।

পুঃডেঃ
২৫/০৯/২০২০